স্মৃতিগ্ৰন্থ

# তন্ত্ৰম

## মায়ং আঞ্চলিক মহাবিদ্যালয়

ৰূপালী জয়ন্তী বৰ্ষ, ২০১৭



সম্পাদক

ড° উৎপল নাথ

## পুৰনি দিনবোৰৰ কিছু স্মৃতি




















14, 282

DCNL Mayang Anchalik College
Estd : 1992
Date.....................
P.O. - Pa... Dist. - Morigaon (Assam)

# তন্ত্রম

### স্মৃতিগ্ৰন্থ

## মায়ং আঞ্চলিক মহাবিদ্যালয়

**ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন**

দিনাংক ঃ ১১, ১২ আৰু ১৩ আগষ্ট, ২০১৭ চন

মায়ং আঞ্চলিক মহাবিদ্যালয়
তমসো মা জ্যোতির্গময়
মৰিগাওঁ
স্থাপিত ঃ ১৯৯২ চন

সম্পাদক ঃ ড° উৎপল নাথ

(82.८ .91)

**Tantram :**
A souvenir of the Silver jubilee year celebration of Mayang Anchalik College held on 11, 12 and 13 August, 2017. Edited by Dr. Utpal Nath and Published by Silver jubilee year celebration committee. Printed at Bhabani Offset & Imaging Systems Pvt. Ltd., Guwahati

স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি
সভাপতি ঃ ড° ফণীভূষণ নাথ

সম্পাদক ঃ ড° উৎপল নাথ

সদস্যবৃন্দঃ সৰ্ব্বশ্ৰী ড° গুনেশ্বৰ ডেকা, কবিতা মেধী, ড° মিনাক্ষী তামুলী, ধন্যবাম ৰয়, প্ৰফুল্ল কুমাৰ দাস, গোবিন্দ চন্দ্ৰ বৰদলৈ, লোকেন্দ্ৰ হাজৰিকা, ৰেনুপ্ৰভা লস্কৰ মেধী, অতুল চন্দ্ৰ নাথ, হৰিপ্ৰসাদ বৰা, চাৰু প্ৰভা চলিহা, বৃষ্টি কলিতা, জগন্নাথ ৰাজবংশী, ইন্দ্ৰমোহন চৰকাৰ, ৰামচন্দ্ৰ নাথ, কন্দৰ্প হাজৰিকা, বিৰেশ্বৰ কেলেং, নজৰুল ইছলাম, ভৰত বিষয়া, নৱজ্যোতি নাথ, অসীম কুমাৰ নাথ, চাহাবুল হক।

প্ৰকাশকঃ ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতি, মায়ং আঞ্চলিক মহাবিদ্যালয়

সৰ্বস্বত্ব ঃ ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতি, মায়ং আঞ্চলিক মহাবিদ্যালয়

বেটুপাত ঃ নৱ প্ৰতীম দাস, অমৃত শইকীয়া

ডিটিপি/ডিজাইন ঃ মিৰিন্দা কালাৰ, নুনমাটি, গুৱাহাটী-২০

অক্ষৰ বিন্যাস/অংগ সজ্জা ঃ অমৃত শইকীয়া, নৱজ্যোতি মজুমদাৰ

শুভেচ্ছামূলক বৰঙণি ঃ ২৫০.০০ টকা

মুদ্ৰক ঃ ভৱানী অফছেট এণ্ড ইমেজিং চিষ্টেম প্ৰাইভেট লিমিটেড, গুৱাহাটী

14282
DCNL Mayang Anchalik College
Estd : 1992
Date.........
P.O.- Rajamayong, Dist.- Morigaon(Assam)

# শ্ৰদ্ধাৰ্ঘ




জন্ম ঃ ০১-১০-১৯৩৫ চন
মৃত্যুঃ ০৭-০৪-২০১৩ চন

"আজিৰটো আজি, অহাকালিৰটো অহাকালি,
আজিৰ কামটো অহাকালিলৈ কৰিম বুলি পেলাই থ'ব নালাগে।"

**— মায়ং খনিকৰ দিপন চন্দ্ৰ নাথ**

মায়ং আঞ্চলিক মহাবিদ্যালয় প্ৰতিস্থাৰ মুখ্য কৰ্ণধাৰ,
মায়ং খনিকৰ খ্যাত শিক্ষক, সমাজকৰ্মী, সাহিত্য-সংস্কৃতিৰ পূজাৰী
**প্ৰয়াত দিপন চন্দ্ৰ নাথদেৰক**
মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱ
উদ্‌যাপনৰ এই পবিত্ৰ মুহূৰ্তত
মহাবিদ্যালয় কৰ্তৃপক্ষৰ
লগতে
আমি সমগ্ৰ মায়ং বাসীয়ে শ্ৰদ্ধাৰে
সোঁৱৰিছো।

# শ্ৰদ্ধাৰ্ঘ



জন্ম ঃ ৩১-০৩-১৯৪১ চন

মৃত্যুঃ ২০-০৭-২০১৭ চন

মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ বাবে মুঠ
এক হাজাৰ টকা বৰঙণি আগবঢ়াই (প্ৰথমজন বৰঙণি দাতা) আকস্মিকভাবে
আমাক সকলোকে কন্দুৱাই থৈ ইহসংসাৰ ত্যাগ কৰা
মহাবিদ্যালয়ৰ এগৰাকী অন্যতম শুভাকাংক্ষী,
মায়াং শাখা সাহিত্য সভাৰ এগৰাকী
প্ৰাক্তন সভাপতি, শিক্ষক,
সমাজকৰ্মী
**স্বৰ্গীয় লক্ষীকান্ত মেধিদেৰলৈ**
মহাবিদ্যালয়
কৰ্তৃপক্ষৰ লগতে
আমি সমগ্ৰ মায়ং বাসীয়ে
নিবেদন কৰিছোঁ গভীৰ শ্ৰদ্ধাঞ্জলি।

DCNL Mayang Anchalik College
Estd : 1992
Date.......................
P.O. Rajamayong, Dist.- Morigaon(Assam)

# শ্ৰদ্ধাৰ্ঘ

মায়ং আঞ্চলিক মহাবিদ্যালয় প্ৰতিষ্ঠাৰ স'তে প্ৰত্যক্ষ কিম্বা পৰোক্ষ ভাৱে জড়িত
থাকি মহাবিদ্যালয়খনৰ উত্তৰণৰ হকে অসীম কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি
বৃহত্তৰ মায়ং অঞ্চলৰ যিসকল বৰেণ্য ব্যক্তি আমাৰ মাজৰ
পৰা চিৰদিনৰ বাবে গুচি গ'ল, সেই পূণ্যাত্মা সকলৰ
শ্ৰীচৰণত আমি মহাবিদ্যালয় কৰ্তৃপক্ষৰ
লগতে
সমগ্ৰ মায়ং বাসীয়ে নিবেদন
কৰিছোঁ গভীৰ
শ্ৰদ্ধাঞ্জলি।

সৰ্বানন্দ সোণোৱাল

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী

সত্যমেব জয়তে



দিছপুৰ
২৮-৭-২০১৭

## শুভেচ্ছাবাণী

মৰিগাওঁ জিলাৰ মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উদ্‌যাপন অনুষ্ঠান অহা ১১ ৰ পৰা ১৩ আগষ্টলৈ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ প্ৰস্তুতি চলাই থকা হৈছে বুলি জানিবলৈ পাই মই সুখী হৈছো। এই অনুষ্ঠানৰ লগত ৰজিতা খুৱাই মহাবিদ্যালয়খনৰ বৰ্ণিল ইতিহাস সামৰি 'তন্ত্ৰম' নামৰ এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ বাবে লোৱা উদ্যোগ নিতান্ত আদৰণীয় আৰু প্ৰশংসনীয়।

ঐতিহ্যমণ্ডিত এই মহাবিদ্যালয়খনে প্ৰতিষ্ঠাকালৰে পৰাই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গুণগত শিক্ষাৰ বিকাশ, উপযুক্ত মানৱ-সম্পদ গঢ় দিয়া আৰু সুস্থ শৈক্ষিক পৰিৱেশ সৃষ্টিত অৱদান আগবঢ়াই আহিছে। আশাকৰোঁ, আগন্তুক দিনবোৰতো শিক্ষানুষ্ঠানখনে সংশ্লিষ্ট সকলোৰে সহযোগত শিক্ষা তথা বিদ্যায়তনিক দিশত নিষ্ঠাপূৰ্ণ সেৱা অব্যাহত ৰাখিব।

মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উদ্‌যাপন অনুষ্ঠানৰ সকলো কাৰ্যসূচীৰে সম্পূৰ্ণ সফলতা আৰু শিক্ষানুষ্ঠানখনৰ উত্তৰোত্তৰ উন্নতি আন্তৰিকতাৰে কামনা কৰাৰ লগতে এই উপলক্ষে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থখনে পাঠকৰ পৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলো।

(সৰ্বানন্দ সোণোৱাল)





ড° হিমন্ত বিশ্ব শৰ্মা, এলএলবি
মন্ত্ৰী, অসম

সত্যমেব জয়তে

বিত্ত, শিক্ষা, পৰিকল্পনা আৰু উন্নয়ন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, গুৱাহাটী উন্নয়ন, পৰ্যটন, সমবায়, হস্ততাঁত আৰু বস্ত্ৰ শিল্প (খাদী আৰু গ্ৰামোদ্যোগ), পেঞ্চন আৰু ৰাজহুৱা অভিযোগ



## শুভেচ্ছাবাণী

মৰিগাঁও জিলাৰ মায়ং আঞ্চলিক মহাবিদ্যালয়ে অহা ১১, ১২ আৰু ১৩ আগষ্ট, ২০১৭ ইং তাৰিখে তিনিদিনীয়া কাৰ্যসূচীৰে প্ৰতিষ্ঠাৰ ৰূপালী জয়ন্তী উৎসৱৰ আয়োজন কৰা বুলি জানিবলৈ পাই অতিকৈ আনন্দিত হৈছো। ইয়াৰ লগত সংগতি ৰাখি 'তন্ত্ৰম' নামেৰে এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ যো-জা কৰা হৈছে বুলি জানিও সুখী হৈছো। এই প্ৰচেষ্টা আদৰণীয়।

মায়ং আঞ্চলিক মহাবিদ্যালয়ে প্ৰতিষ্ঠা কালৰে পৰা মানৱ সম্পদ সৃষ্টিত অৰিহণা যোগাই আহিছে বুলি জানিব পাৰিছো আৰু শিক্ষানুষ্ঠানখনে ভৱিষ্যতলৈও নতুন উদ্যমেৰে অধিক সবল ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰিলোঁ। আশা ৰাখিছো ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপনে শিক্ষানুষ্ঠানখনৰ ২৫ বছৰীয়া বৰ্ণাঢ্য যাত্ৰাৰ বিভিন্ন দিশ খুকিয়াই চোৱাৰ লগতে অনাগত দিনসমূহত শিক্ষাৰ জ্যোতি বিলোৱাৰ ক্ষেত্ৰত অধিক কৰ্মতৎপৰতাৰে অগ্ৰসৰ হ'বলৈ সকলোকে অনুপ্ৰাণিত কৰিব।

আশা ৰাখিছো স্মৃতিগ্ৰন্থ 'তন্ত্ৰম'ত সন্নিবিষ্ট হ'বলগীয়া লিখনিসমূহে বৃহত্তৰ অঞ্চলটিৰ লগতে শিক্ষানুষ্ঠানখনৰ বৰ্ণিল ইতিহাস, আত্মত্যাগী ব্যক্তিসকলৰ চানেকী সুন্দৰকৈ প্ৰতিফলিত কৰি নতুন প্ৰজন্মক প্ৰেৰণা যোগাব।

সদৌ শেষত মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱৰ সকলো কাৰ্যসূচীৰ সফলতা আন্তৰিকতাৰে কামনা কৰাৰ লগতে স্মৃতিগ্ৰন্থখনে পঢ়ুৱৈ সমাজৰ পৰা যথোচিত সমাদৰ লাভ কৰিব বুলি আশা প্ৰকাশ কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

ই-ব্লক, তৃতীয় মহলা, অসম সচিবালয়, দিছপুৰ, গুৱাহাটী-৭৮১০০৬, অসম
দূৰভাষ নং : (০৩৬১) ২২৩৭৩১৫, ফেক্স : ০৩৬১-২২৩৭০১২
ই-মেইল : himantab@hotmail.com / himantabsarmaoffice@gmail.com

*Sri Pijush Hazarika*
**M.L.A**
79 Jagiroad (SC) LAC

সত্যমেব জয়তে

Phone : 97060 33333
Block - D, Quarter No.3
Old M.L.A. Hostel
Dispur, Guwahati-6, Assam

## শুভেচ্ছাবাণী

উচ্চ শিক্ষাৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় শিক্ষানুৰাগী ৰাইজৰ কষ্ট আৰু ত্যাগৰ বিনিময়ত স্থাপন হোৱা মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱটি ১১ আগষ্টৰ পৰা তিনিদিনীয়াকৈ পালন কৰিব বুলি জানিবলৈ পাই অত্যন্ত সুখী হৈছো আৰু ৰূপালী জয়ন্তীৰ সকলো কাৰ্যসূচী সফল ৰূপায়ণৰ কামনা কৰিছো।

সঁচা জীৱনৰ প্ৰতিখোজক সৰলী, কোনো বিনিময়তে ক্ৰয় কৰিব নোৱাৰা সম্পদেই হ'ল শিক্ষা। যাৰ উজ্জীৱিত আভাই নিজৰ লগতে সমাজখনকো ধন্য কৰি তোলে। সেয়ে শিক্ষানুষ্ঠান সমূহ হ'ল ভৱিষ্যত সু-নাগৰিক গঢ়াৰ একমাত্ৰ কমাৰশাল। য'ত শিক্ষাগুৰু সকলে নতুন প্ৰজন্মক পুঁথিগত জ্ঞানৰ লগতে সামাজিক দায়বদ্ধতা আৰু মানৱীয় প্ৰমূল্যবোধৰ শিক্ষা দিয়ে।

ৰূপালী জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি 'তন্ত্ৰম' নামৰ এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা কৰাৰ বাবে উদ্যোক্তা সকলৰ শলাগ লৈছো। স্মৃতিগ্ৰন্থখনৰ নাম 'তন্ত্ৰম' ৰখাটো তাৎপৰ্যপূণ বুলি বিবেচিত হৈছে। কিয়নো এই নামটোৱে মায়ংৰ অতীত গৌৰৱক প্ৰতিফলিত কৰে। স্মৃতিগ্ৰন্থখনি সৰ্বদিশতে সৰ্বাংগ-সুন্দৰ হোৱাৰ কামনা কৰাৰ লগতে স্থানীয় ৰাইজ, মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু পৰিচালনা সমিতিয়ে ৰূপালী জয়ন্তীৰ সভাপতি হিচাবে অভাজনক দায়িত্ব দি ৰাইজক সেৱা কৰাৰ যি সুবিধা দিলে তাৰ বাবে সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰিছো।

সেৱাৰে -

পীযুষ হাজৰিকা





## "আন্তৰিক শুভ-কামনা"

মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ পঁচিশ বছৰ পূৰ্ণ হ'ল।
ঐতিহ্যৰ এক বিশাল পথাৰত এডাল জ্ঞানবৃক্ষ ৰোপণ কৰাৰ পঁচিশ বছৰ পূৰ্ণ হ'ল।
পঁচিশ বছৰ পূৰ্ণ হ'ল গভীৰ আত্ম-বিশ্বাস সহ আৰম্ভ কৰা এটা দুৰ্ব্বাৰ গতিৰ।
পঁচিশ বছৰ পূৰ্ণ হ'ল অদমনীয় দৃঢ়তাৰে আৰম্ভ কৰা এক আলোকিত যাত্ৰাৰ।
এই পঁচিশ বছৰ —
প্ৰত্যয়ৰ পঁচিশ বছৰ,
প্ৰত্যাশাৰ পঁচিশ বছৰ,
তিয়াগৰ পঁচিশ বছৰ,
সহযোগিতাৰ পঁচিশ বছৰ,
সংঘবদ্ধতাৰ পঁচিশ বছৰ,
বুজা-বুজিৰ পঁচিশ বছৰ,
ইতিবাচক চিন্তাৰ পঁচিশ বছৰ,
উৎকণ্ঠাৰ পঁচিশ বছৰ।
এনে এক অনিস্মৰণীয় পঁচিশ বছৰীয়া অবিৰত যাত্ৰাৰ পিছত,
এতিয়া সময় হ'ল -
প্ৰাপ্তি আৰু অপ্ৰাপ্তিৰ খতিয়ান লোৱাৰ।
সময় হ'ল -
সোণালী সপোন পূৰণ কৰাৰ সোপান নিৰ্মাণ কৰাৰ।
ইতিপূৰ্ব্বে দেখুৱাই অহা
গভীৰ আত্ম-বিশ্বাস আৰু অদমনীয় দৃঢ়তাৰে আগুৱাই যোৱাৰ।
আশা আৰু বিশ্বাস,
মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ লগত জড়িত সকলোৱে আগুৱাই যাব -
পূৰ্ব্বে প্ৰত্যক্ষ কৰা প্ৰত্যয়ৰে, প্ৰত্যাশা সহ।
আগুৱাই যাব
বিগতদিনৰ লেখীয়া অনুকৰণীয় সহযোগিতা, চানেকি স্বৰূপ সংঘবদ্ধতা আৰু অনুৰণিত বুজা-বুজিৰে, ইতিবাচক চিন্তা লৈ ।
আগুৱাই যাব ·
গভীৰ আত্ম বিশ্বাস আৰু অদমনীয় দৃঢ়তাৰে।
মহাবিদ্যালয়খনিৰ ৰূপালী জয়ন্তীত
এনে এক সৰল আশাৰে
আৰু ৰূপালী জয়ন্তী উৎসৱলৈ আন্তৰিক শুভ-কামনাৰে —

২৮ জুলাই
২০১৭
।। উপায়ুক্ত, মৰিগাওঁ জিলা।।

**Jayanta Malla Baruah**
*Chairman*
**Assam Tourism Development Corporation Ltd.**

+91-9435299999
jayantamallabaruah@gmail.com
www.assamtourism.gov.in
www.jayantamallabaruah.com

তাৰিখঃ ০১/০৮/২০১৭

॥ **শুভেচ্ছা বাণী** ॥

বৃহত্তৰ মায়ং অঞ্চলৰ গৌৰৱময় ঐতিহ্য বহন কৰা মায়ং আঞ্চলিক মহাবিদ্যালয়খনে পঞ্চবিংশতিতম বৰ্ষত ভৰি দিছে। মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীবৰ্ষটি আগন্তুক ১১, ১২ আৰু ১৩ আগষ্ট, ২০১৭ তাৰিখে ৩ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰিবলৈ লোৱা বুলি জ্ঞাত হৈ আনন্দিত হলো।

উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি তন্ত্ৰম নামেৰে এখন স্মৃতিগ্ৰন্থ প্ৰকাশিত হব। আশা কৰো, উক্ত স্মৃতিগ্ৰন্থখনিয়ে মহাবিদ্যালয়ৰ ২৫ বছৰীয়া গৌৰৱময় ঐতিহ্য লগতে অঞ্চলটোৰ সভ্যতা আৰু সাংস্কৃতিক উপযুক্ত ৰূপত উপস্থাপন কৰিব লগতে মায়ং পৰিভ্ৰমণলৈ অহা ছাত্ৰ-ছাত্ৰী, পৰ্যটক তথা লেখক-গবেষকসকলৰ প্ৰাথমিক প্ৰয়োজনখিনি পূৰণ কৰিব।

এই স্মৃতিগ্ৰন্থখনিৰ তথা অনুষ্ঠানটিৰ লগত জড়িত সকলো কৰ্মকৰ্তাকে মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো আৰু মায়ঙবাসী ৰাইজলৈ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উপলক্ষে শুভেচ্ছা আৰু শ্ৰদ্ধা যাঁচিলো।

ধন্যবাদ,

বিনিত,

(শ্ৰী জয়ন্তমল্ল বৰুৱা)
অধ্যক্ষ
অসম পৰ্যটন উন্নয়ন নিগম

*Office :* Asom Paryatan Bhawan, [redacted] Azad Road, Paltan Bazar, Guwahati – 781008, Assam
Phone : 0361-2633654, Fax : [redacted]
*Residence :* "Kailash", H.No.17, [redacted] Baruah Lane, Birkuchi, Narengi, Guwahati – 781026, Assam
@jayanta.mallabaruah (page) [redacted] @Jayanta_malla





সদৌ অসম ছাত্ৰ সন্থা
**ALL ASSAM STUDENTS' UNION**
মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H. O. : GAUHATI UNIVERSITY, GUWAHATI - 781 014
Website : htta//aasu.m 2014.net
Phone : 2571130 2602890

প্ৰসঙ্গ ঃ

দিনাংক ঃ



**শুভেচ্ছাবাণী**

মৰিগাঁও জিলাৰ ইতিহাস প্ৰসিদ্ধ মায়ংত স্থাপিত হোৱা উচ্চশিক্ষাৰ অন্যতম অনুষ্ঠান মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ গৌৰৱময় ৰূপালী জয়ন্তী মহোৎসৱটি অহা ১১ আগষ্ট তাৰিখৰ পৰা ১৩ আগষ্ট/২০১৭ তাৰিখলৈ তিনিদিনীয়া বৰ্ণময় কাৰ্যসূচীৰে উদ্‌যাপিত হ'ব বুলি জানিবলৈ পাই মই অত্যন্ত আনন্দিত হৈছো। একালৰ যাদুৰ দেশ হিচাপে খ্যাত মায়ং অঞ্চলত শৈক্ষিক উত্তৰণৰ বাবে স্থাপন কৰা উচ্চশিক্ষাৰ অনুষ্ঠানটিয়ে এক সুস্থ শৈক্ষিক পৰিবেশ গঠনত গুৰু দায়িত্ব পালন কৰি আহিছে। অনুষ্ঠানটিৰ ২৫ বৰ্ষৰ এনে শুভক্ষণৰ মুহূৰ্তই আমাক আটাইকে উৎসাহিত কৰিছে। আমি আশা কৰিছো মায়ং আঞ্চলিক মহাবিদ্যালয়খনে গুণগত শিক্ষাৰ বিকাশ আৰু উপযুক্ত মানৱ সম্পদ গঢ় দিয়াৰ ক্ষেত্ৰত ভবিষ্যতৰ দিনবোৰত আৰু অধিক মহত্বপূৰ্ণ সেৱা আগবঢ়াব।

ৰূপালী জয়ন্তী মহোৎসৱৰ সফল ৰূপায়ন আশা কৰাৰ লগতে এই পবিত্ৰ উৎসৱৰ লগত জড়িত শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু আটাইৰে প্ৰতি আমি আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জনালোঁ। উৎসৱৰ লগত বিশেষভাৱে সংগতি ৰাখি উদ্‌যাপন সমিতিয়ে প্ৰকাশ কৰিবলৈ লোৱা 'স্মৃতিগ্ৰন্থ' খনিৰ সৰ্বাঙ্গসুন্দৰ হ'ব বুলি আশা ৰাখিলো আৰু ৰূপালী জয়ন্তী অনুষ্ঠানটিৰ সৰ্বতোপ্ৰকাৰৰ সফলতা কামনা কৰিলোঁ।

পুনৰ শ্ৰদ্ধা আৰু শুভ কামনাৰে —

(ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য)
মুখ্য উপদেষ্টা
সদৌ অসম ছাত্ৰ সন্থা
০৪/০৮/২০১৭

## শ্ৰীগোপাল চন্দ্ৰ নাথ

*সভাপতি*
*মায়ং আঞ্চলিক মহাবিদ্যালয় পৰিচালনা সমিতি*

*তাৰিখ ঃ ০৫-০৮-২০১৭*

### শুভেচ্ছা বাণী

*মায়ংঙ্গ ইতিহাসপ্ৰসিদ্ধ মায়ং। যুগ যুগ ধৰি মায়ং বিশ্বৰ দৃষ্টিত এক সাঁথৰ হৈ আহিছে। ইয়াৰ প্ৰকৃত কাৰণ সুদূৰ অতীতৰে পৰা মায়ঙৰ যাদু-মন্ত্ৰ অথবা ইন্দ্ৰজালিক প্ৰভাৱে দেশী-বিদেশী প্ৰতিজন লোককেই আচৰিত কৰি আহিছে। যিমানেই ইয়াৰ ৰহস্য উদ্ধাৰ কৰাৰ প্ৰয়াস কৰি আহিছে সিমানেই মায়ঙৰ তন্ত্ৰ-মন্ত্ৰৰ প্ৰভাৱে মানুহক গভীৰৰ পৰা গভীৰতলৈ ঠেলি লৈ যায়। আনকি আজিৰ এই একবিংশ শতিকাতো জ্ঞান-বিজ্ঞানৰ সুদূৰপ্ৰসাৰী বিজয়ধ্বজা উৰাৰ সময়তো মায়ঙৰ যাদু-মন্ত্ৰ তথা তন্ত্ৰ-মন্ত্ৰৰ অবিশ্বাস্য যেন লগা সঁচা কাহিনীয়ে সততে দেশ-বিদেশৰ অনুসন্ধিৎসু পৰ্যটকক আকৰ্ষিত কৰি আহিছে যদিও উচ্চ শিক্ষাৰ অভাৱত এই বুৰঞ্জিপ্ৰসিদ্ধ ঠাইখন বহু পিছ পৰি ৰৈছিল*

*১৯৯২ চনৰ বৃহত্তৰ মায়ং অঞ্চলৰ কিছু সমাজকৰ্মী আৰু চিন্তাশীল ব্যক্তিয়ে মায়ঙত এখন মহাবিদ্যালয় স্থাপন কৰিবলৈ মনস্থ কৰি সেই বছৰৰে ১৩ আগষ্টত মায়ং আঞ্চলিক মহাবিদ্যালয় স্থাপন কৰে। যি আজি ২৫ বছৰত ভৰি দিছেহি। যিসকল ব্যক্তিৰ মহান ত্যাগ আৰু প্ৰচেষ্টাত এই মহাবিদ্যালয়খনি গঢ়ি উঠিল প্ৰয়াত সেই ব্যক্তিসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলোঁ। তেওঁলোকৰ আত্মাই সদ্‌গতি লাভ কৰক, এয়ে মোৰ ভগৱানৰ ওচৰত মিনতি। আৰু যিসকল ব্যক্তি বৰ্তমানলৈ জীৱিত হৈ আছে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা থাকিল।*

*শিক্ষানুষ্ঠানখনে ৰূপালী জয়ন্তী উৎসৱৰ লগত ৰজিতা খুৱাই এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ প্ৰস্তুতি কৰিছে যিটো অতি আদৰণীয়। স্মৃতিগ্ৰন্থখনি ছাত্ৰ-ছাত্ৰীৰ লগতে পঢ়ুৱৈ ৰাইজৰ সমাদৰ বুটলিবলৈ সক্ষম হ'ব বুলি আশা ৰাখিলো।*

*সদৌ শেষত মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি আন্তৰিকতাৰে কামনা কৰাৰ লগতে অধ্যক্ষ, অধ্যাপক, অধ্যাপিকা, কৰ্মচাৰীবৃন্দৰ লগতে ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।*

*শ্ৰীগোপাল চন্দ্ৰ নাথ*
*সভাপতি*
*মায়ং আঞ্চলিক মহাবিদ্যালয় পৰিচালনা সমিতি*







## উদ্‌যাপন সমিতিৰ সম্পাদক তথা মহাবিদ্যালয়ৰ অধ্যক্ষৰ একাষাৰ

জয় জয়তে মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি-সম্পাদক প্ৰমুখ্যে মহান ব্যক্তিসকলক শ্ৰদ্ধা নিবেদিছো। আজিৰ পৰা ২৫ বছৰ আগতে ঐতিহ্যমণ্ডিত মায়ঙৰ বুকুত জন্ম লাভ কৰা মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ স'তে জড়িত জিলাখনৰ শুভাকাংক্ষী ব্যক্তিসকলৰ লগতে বৃহত্তৰ মায়ং অঞ্চলৰ সমূহ ৰাইজলৈ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন সমিতিৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। অঞ্চলটোৰ দূৰদৃষ্টিসম্পন্ন আৰু সমাজহিতৈষী ব্যক্তিৰ আপ্ৰাণ চেষ্টা, ত্যাগ আৰু শ্ৰমৰ বিনিময়ত ১৯৯২ চনতে প্ৰতিষ্ঠা লাভ কৰা মহাবিদ্যালয়খনে এক গৌৰৱময় মুহূৰ্তত ভৰি দিছে। মই উদ্‌যাপন সমিতিৰ সম্পাদক আৰু অধ্যক্ষ হিচাপে অত্যন্ত আনন্দিত। ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন কৰিবলৈ ইতিমধ্যে কেইবাখনো উপ-সমিতি গঠন কৰি দিয়া হৈছে। প্ৰতিখন উপ-সমিতিয়ে উৎসৱৰ তিনিওটা দিনৰ কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তুলিবলৈ কঁকালত টঙালী বান্ধিছে। 'তন্ত্ৰম' নামেৰে এখন বৃহৎ কলেবৰৰ স্মৃতিগ্ৰন্থও প্ৰকাশৰ দিহা কৰা হৈছে। যিখন গ্ৰন্থত মায়ঙৰ অতীত, ঐতিহ্য আৰু বহু তথ্যসমৃদ্ধ লেখা প্ৰকাশ কৰাৰ দিহা কৰা হৈছে। এই ছেগতে মই স্মৃতিগ্ৰন্থ তন্ত্ৰমৰ লেখক-লেখিকাসকললৈও ধন্যবাদ জনাইছো। বিভিন্ন প্ৰান্তৰ পৰা বিভিন্ন শুভাকাংক্ষীয়ে উৎসৱটি উদ্‌যাপনৰ বাবে পাৰ্যমানে দান-বৰঙণি আগবঢ়াইছে। সেই সকললৈও আমাৰ ফালৰ পৰা শলাগ লৈছো। বানে ধোৱা অঞ্চলটোত অৱস্থিত উচ্চ শিক্ষাৰ একমাত্ৰ শিক্ষানুষ্ঠানখনৰ ৰূপালী জয়ন্তীৰ বাবে আমি প্ৰথমাৱস্থাত প্ৰকৃতিৰ পৰা কিছু বাধাৰ সন্মুখীন হৈছিলো। পৰৱৰ্তী সময়ত সেই সমস্যা আঁতৰিল। উৎসৱৰ সকলো কাৰ্যসূচী আশাকৰা ধৰণে সফল ৰূপায়ণৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো, লগতে সমূহ ৰাইজৰ সহৃদয়তা কামনা কৰিলো। আয়োজনৰ বিভিন্ন প্ৰক্ৰিয়াত অজানিতে হৈ যোৱা সমূহ ত্ৰুটি-বিচ্যুতিৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা মাগিলো। সদৌ শেষত মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলো। ইতি—

ড° ফণীভূষন নাথ
অধ্যক্ষ তথা সম্পাদক, উদযাপন সমিতি

# সম্পাদকীয় ...

জয় জয়তে মায়ং আঞ্চলিক মহাবিদ্যালয় প্ৰতিষ্ঠাৰ স'তে জড়িত বৃহত্তৰ মায়ং অঞ্চলৰ বৰেণ্য ব্যক্তিসকললৈ সশ্ৰদ্ধ প্ৰণিপাত নিবেদিছোঁ। আজিৰ পৰা পঁচিশটা বছৰৰ আগতে মৰিগাঁও জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত সৰ্বতোদিশতে পাছ পৰা এই বৃহত্তৰ মায়ং অঞ্চলৰ যিসকল পোহৰ প্ৰত্যাশী উদ্যোগী ব্যক্তিৰ চেতনাত ইমান এটা ডাঙৰ অনুষ্ঠান প্ৰতিষ্ঠাৰ সপোন অংকুৰিত হৈছিল আৰু সেই সপোন বাস্তৱত ৰূপায়ন কৰি সৌ সিদিনালৈকে (প্ৰাদেশীকৰণৰ সময়লৈকে) যিসকল ব্যক্তিয়ে সপোনটোক লালন-পালন কৰি ডাঙৰ-দীঘল কৰাৰ দায়িত্ব অশেষ ধৈৰ্য আৰু কষ্টৰে অথচ যথেষ্ট প্ৰত্যয় আৰু সাহসেৰে পালন কৰি গৈছিল; সেই ব্যক্তিসকল সঁচাকৈ আমাৰ শ্ৰদ্ধাৰ পাত্ৰ চিৰনমস্য। অনুষ্ঠানটো প্ৰতিষ্ঠাৰ স'তে জড়িত যিসকল পূজ্য পুৰুষ বিদেহী হৈছে, তেখেতসকলৰ আত্মাই সদগতি পাওঁক। যিসকল আমাৰ মাজত সশৰীৰে থাকি আজিলৈকে মহাবিদ্যালয়খনিৰ উন্নয়নৰ হ'কে সেৱা আগবঢ়াই আহিছে, তেখেতসকলকো ভগৱানে সুস্বাস্থ্য আৰু দীৰ্ঘজীৱন দান কৰক। ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ এই শুভ মুহূৰ্তত এয়াই আমাৰ বিনীত প্ৰাৰ্থনা।

একোটা অঞ্চলত এখন সমাজে মহাবিদ্যালয়ৰ দৰে এটা ডাঙৰ বিদ্যামন্দিৰ প্ৰতিষ্ঠাৰ বাবে উদ্যোগ লোৱা মানেই সেই অঞ্চলটোত, সেইখন সমাজত যে অতি উচ্চ চিন্তাধাৰাৰ এচাম মানুহ আছে, তাৰেই প্ৰমাণ। আনে ক'লা যাদুৰ দেশ বুলি মায়ঙক তুচ্ছ-তাচ্ছিল্য কৰিলেও, মায়ঙৰ বাসিন্দাসকলক আনে জংঘলী মানুহ বুলি হাঁহিলেও, মায়ঙীয়া মানুহবোৰৰ মনবোৰ যে অগ্ৰগামী সভ্যতাৰ স'তে সমানে সমানে আগবাঢ়িব খোজে, তাৰ প্ৰমাণ হৈছে ৰাস্তা-ঘাট, স্বাস্থ্য-চিকিৎসা, চাৰিওফালৰ পৰা অনগ্ৰসৰ বানবিধ্বস্ত এই দুখীয়া অঞ্চলটোত ১৯৮৪ চনতে উচ্চ শিক্ষাৰ এই অনুষ্ঠানটো জন্ম দিয়াৰ কথা চিন্তা কৰি ১৯৯২ চনত তাক সাকাৰ ৰূপ দিয়াতো। উচ্চ শিক্ষাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ পাছতেই স্থান মহাবিদ্যালয়ৰ। সৰু বিদ্যালয় নহয়, মহাবিদ্যালয়। একোখন মহাবিদ্যালয় হ'ল একোখন সমাজৰ সাহিত্য-সংস্কৃতি-সভ্যতাৰ অগ্ৰগতি আৰু প্ৰজ্ঞাৰ উচ্চস্তৰীয় সাধনাৰ পীঠস্থান; মানৱ সম্পদ গঢ়াৰ এটা ডাঙৰ আৰু বিশাল কাৰখানা। কোনো ৰাজ সাহাৰ্য নোহোৱাকৈ, কোনো উদ্যোগ-কোটিপতি ব্যক্তিৰ সহায় নোলোৱাকৈ, দুখীয়া কৃষক শ্ৰেণীৰ দান-বৰঙণিৰে এনেকুৱা এটা বিশাল অনুষ্ঠান স্থাপন কৰাৰ সপোন ৰচিবলৈকে ভয় লাগে। মায়ঙৰ দৰে অৰ্থনৈতিকভাৱে পাছ পৰা এটা অঞ্চলত কৃষিজীৱী জনতাই পেটৰ ভোক গুচাবলৈ ভৰালত সাঁচি থোৱা ধানখিনিকে মূলধন হিচাপে লৈ মহাবিদ্যালয় স্থাপন কৰিবলৈ যোৱাটো মুখৰ কথা নহয়। তথাপি মায়ং আঞ্চলিক মহাবিদ্যালয় স্থাপন হ'ল। ইয়ে প্ৰমাণ কৰিলে যে অন্য সকলো ক্ষেত্ৰতে পাছপৰা হ'লেও মায়ঙীয়া মানুহবোৰৰ মন আজিৰ তাৰিখত পাছপৰা নহয়, বৰং চিন্তাধাৰা বহু উন্নত আৰু এখন মহাবিদ্যালয় স্থাপন কৰিব পৰাৰ জোখেৰে মানুহবোৰ সাহসী, বুদ্ধিমান আৰু দক্ষ।

১৯৯২ চনৰে পৰা সুখ-দুখ, জয়-পৰাজয়, হৰ্ষ-বিষাদৰ একা-বেকা পথেৰে বহুদূৰ অতিক্ৰমী, চৌদিশে প্ৰজ্ঞাৰ পোহৰ সিঁচি আহি আহি মহাবিদ্যালয়খনে এইবাৰ পঁচিশটা বছৰত ভৰি থ'লে। পূৰ্ণতা পালে এটা ৰূপালী সপোনে। এতিয়া সময় হ'ল এটা নতুন সপোন দেখাৰ — সোণালী সপোন। আজিৰ পৰাই আৰম্ভ হওক সেই যাত্ৰা - সোণালী সপোনটোক ঢুকি পোৱাৰ দুৰ্বাৰ যাত্ৰা। নিশ্চয় প্ৰজ্ঞাৰ সমুদ্ৰত এই যাত্ৰা অবিৰত, নিৰৱচ্ছিন্ন। এনেকৈয়ে এদিন নিজৰ বিজয় ধ্বজা উৰুৱাই মায়ং আঞ্চলিক মহাবিদ্যালয়ে সোণালী জয়ন্তী বৰ্ষও অতিক্ৰম কৰিব আৰু এখন জাকত-জিলিকা অনুষ্ঠান হৈ জগতত জিলিকি উঠিব। ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ এই শুভ মুহূৰ্তত নিশ্চয় আমাৰ সকলোৰে এয়াই কামনা।

এই ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ সকলো স্মৃতি যুগমীয়া কৰি ধৰি ৰখাৰ হেতু আন আন বিভিন্ন কাৰ্যসূচী ৰূপায়নৰ লগতে এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ বাবেও সিদ্ধান্ত লোৱা হৈছিল। মায়ং যিহেতু তন্ত্ৰ-মন্ত্ৰৰ দেশ বুলিয়েই সৰ্বজ্ঞাত, তন্ত্ৰ-মন্ত্ৰৰ নিৰন্তৰ সাধনা আৰু চৰ্চাৰ ক্ষেত্ৰত থকা ব্যুৎপত্তি কিম্বা খ্যাতিয়েই যিহেতু মায়ঙত প্ৰথম আৰু প্ৰধান পৰিচয় আৰু যিহেতু এই মন্ত্ৰ বিখ্যাত মায়ঙৰ বুকুতেই আমাৰ মায়ং আঞ্চলিক মহাবিদ্যালয়খন অৱস্থিত, সেয়েহে মায়ঙীয়া সমাজ-সভ্যতাৰ এই অতীত ঐতিহ্যক সুঁৱৰিয়েই স্মৃতিগ্ৰন্থখনিৰ নাম ৰখা হ'ল 'তন্ত্ৰম'।

'তন্ত্ৰম'ৰ জৰিয়তে মহাবিদ্যালখনৰ পঁচিশ বছৰীয়া গৌৰৱময় ঐতিহ্যক উপস্থাপন কৰাৰ লগতে মায়ঙীয়া সভ্যতা আৰু





সংস্কৃতিক আংশীকভাৱে হ'লেও উপস্থাপনৰ এক নিঃকিন প্ৰয়াস কৰা হৈছে। মায়ং সংক্ৰান্তীয় প্ৰায়বোৰ লেখা স্থানীয় লেখকৰ পৰাই সংগ্ৰহ কৰা হৈছে। লেখকৰ ক্ষেত্ৰত নবীন-প্ৰবীন, প্ৰতিষ্ঠিত-অ-প্ৰতিষ্ঠিত বুলি কোনো সীমা আঁকা হোৱা নাই। সকলো লেখকৰ লেখাকে সমানে গুৰুত্ব দি সকলোকে সমানে উৎসাহিত কৰাৰ চেষ্টা কৰা হৈছে। আমাৰ অনুৰোধ ৰাখি 'তন্ত্ৰম'ত প্ৰকাশৰ বাবে যিসকল লেখক-লেখিকাই লেখা প্ৰেৰণ কৰিলে, সেই সকলো লেখক-লেখিকালৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। 'তন্ত্ৰম'ৰ সৌষ্ঠৱ বৃদ্ধিৰ বাবে পূৰ্বে প্ৰকাশিত দুই-চাৰিটা উচ্চ মানদণ্ডৰ লেখাও লেখকৰ অনুমতি সাপেক্ষে পুনৰ মুদ্ৰণ কৰা হৈছে। পুনৰ প্ৰকাশৰ অনুমতি দিয়াৰ বাবে সেই শ্ৰদ্ধেয় লেখক-লেখিকালৈও আমাৰ কৃতজ্ঞতা নিবেদন কৰিছোঁ। কেইটামান লেখা অতি পলমকৈ আমাৰ হাতত পৰাৰ বাবে স্থানাভাৱত প্ৰকাশ কৰিব নোৱাৰিলো। আমাৰ এই অক্ষমতাৰ বাবে লেখক-লেখিকাকেইগৰাকীৰ ওচৰত ক্ষমা ভিক্ষাৰ আঁচল পাতি ৰ'লো।

আমাৰ অনুৰোধ ৰাখি 'তন্ত্ৰম'লৈ একো একোটা প্ৰেৰণাদায়ক শুভেচ্ছা বাণী পঠিয়াই গ্ৰন্থখনিৰ গাম্ভীৰ্যতা বৃদ্ধি কৰাৰ বাবে অসম মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱাল দেৱ, মাননীয় শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱ, স্থানীয় বিধায়ক তথা ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি মাননীয় শ্ৰীযুত পীযুষ হাজৰিকাদেৱ, মৰিগাঁও জিলাৰ সন্মানীয় উপায়ুক্ত শ্ৰীযুত হেমেন দাসদেৱ, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যদেৱ, অসম পৰ্যটন উন্নয়ন নিগমৰ মাননীয় অধ্যক্ষ শ্ৰীযুত জয়ন্ত মল্ল বৰুৱাদেৱ আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ সন্মানীয় সভাপতি শ্ৰীযুত গোপাল চন্দ্ৰ নাথদেৱলৈও আমি যাঁচিছো অপাৰ কৃতজ্ঞতা।

আমাৰ অনুৰোধৰ প্ৰতি সহাৰি জনাই যিসকল বিজ্ঞাপন দাঁতাই 'তন্ত্ৰম'ত প্ৰকাশৰ বাবে বিজ্ঞাপন প্ৰদান কৰি আমাক অনুপ্ৰাণিত কৰিলে, সেইসকলৰ বদান্যতাকো আমি স-হৃদয়তাৰে শলাগিছোঁ। আমি গভীৰভাৱে শলাগ লৈছো স্মৃতিগ্ৰন্থখনি সম্পাদনা কৰি উলিওৱাৰ কামত প্ৰতি মুহূৰ্ততে গাৰ ছাঁটোৰ দৰে লাগি থকা স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি তথা মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° ফণীভূষন নাথদেৱ আৰু সদস্য ক্ৰমে নজৰুল ইছলাম, লোকেন্দ্ৰ হাজৰিকাদেৱ, নৰজ্যোতি নাথ আৰু অসীম নাথৰ। শলাগ লৈছো স্মৃতিগ্ৰন্থখনি সৰ্বাঙ্গসুন্দৰ কৰি তোলাৰ স্বাৰ্থত বৰ্ণাশুদ্ধিৰ কামত অংশ লোৱাৰ লগতে আমালৈ স'ততে দিহা-পৰামৰ্শ, সহায়-সহযোগিতা আগবঢ়াই যোৱা সম্পাদনা সমিতিৰ সকলো সন্মানীয় সদস্যৰ। সম্পাদনা সমিতিৰ সদস্য নোহোৱা সত্বেও স্মৃতিগ্ৰন্থখনিৰ বিভিন্ন কামত সহায়-সহযোগিতা আগবঢ়োৱা উদ্‌যাপন সমিতিৰ সহকাৰী সাধাৰণ সম্পাদকদ্বয় মাননীয় শ্ৰীযুত ৰবীন কুমাৰ কলিতা আৰু শ্ৰীপ্ৰাঞ্জল ডেকা, অসম আৰক্ষীৰ এগৰাকী উচ্চ পদস্থ বিষয়া তথা বিশিষ্ট কবি ড° নন্দসিং বৰকলা, ছাত্ৰনেতা টুটুমণি কলিতা, প্ৰাক্তন ছাত্ৰ মণিৰত্ন ডেকা, অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক শ্ৰীযুত অভিৰাম চৰকাৰ আৰু মায়ং কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত বিনয় চলিহাদেৱলৈও আমাৰ থাকিল অশেষ কৃতজ্ঞতা।

শেষত অশেষ কষ্ট স্বীকাৰ কৰি স্মৃতিগ্ৰন্থৰ লেখাসমূহ ছপাশালৰ যাদুকৰী আখৰেৰে সজাই-পৰাই তোলা অক্ষৰ বিন্যাসক অমৃত শইকীয়া আৰু নৰজ্যোতি মজুমদাৰৰ কৰ্মতৎপৰতা আৰু দায়িত্ববোধকো আমি কৃতজ্ঞতাৰে শলাগ লৈছো আৰু শলাগ লৈছো গ্ৰন্থখনি সুন্দৰ প্ৰিন্টিং আৰু বাইণ্ডিঙেৰে যথা সময়ত ৰাইজৰ হাতত তুলি দিবলৈ সক্ষম হোৱা 'ভৱানী প্ৰেছ'ৰ স্বত্বাধিকাৰী মহাশয়ৰ লগতে তেখেতৰ সমূহ কৰ্মচাৰীবৃন্দৰ।

সামৰণিত কওঁ যে পঁচিশটা বৰ্ণিল বসন্ত অতিক্ৰম কৰা মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ গৌৰৱ গাঁথা উপস্থাপনৰ লগতে ৰহস্যময় মায়ঙৰ বিষয়ে কৌতূহল প্ৰকাশ কৰা, মায়ঙক জানিবলৈ, বুজিবলৈ অপাৰ হেঁপাহ থকা দেশ-বিদেশৰ লেখক-গৱেষক আৰু পৰ্যটকসকলৰ প্ৰাথমিক প্ৰয়োজনখিনি পূৰণ কৰিব পৰাকৈ; যাদুৰ দেশ খ্যাত মায়ঙৰ স্বৰ্ণমণ্ডিত অতীত ঐতিহ্যক কিছু পৰিমাণে হ'লেও উন্মোচিত কৰিব পৰাকৈ 'তন্ত্ৰম'ক এখনি সংৰক্ষণ যোগ্য গ্ৰন্থ হিচাপে সজোৱাৰ চেষ্টা চলাম বুলি ৰাইজক যি আশা দিছিলোঁ, ৰাইজেও আমাৰ পৰা যি প্ৰত্যাশা কৰিছিল; সেই আশা আৰু প্ৰত্যাশাবোৰৰ বহুলাংশেই আমি পূৰণ কৰিব নোৱাৰিলো। মূলত সময়ৰ নাটনিৰ বাবেই এই ক্ষেত্ৰত আমি বাৰুকৈয়ে মুখ থেকেচা খালো। সেয়ে আমাৰ সেই অক্ষমতাক যেন ৰাইজে ক্ষমাৰ চকুৰে চাই, সেই অনুৰোধ ৰাখিলোঁ। গ্ৰন্থখনিত অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটিবোৰৰ জগৰ নতশিৰে মূৰ পাতি লৈ ৰাইজৰ ওচৰত ক্ষমা ভিক্ষাৰ আচল পাতি ৰ'লো।

তদ্ৰূপ

সদৌ শেষত মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ এই শুভ মুহূৰ্তত মহাবিদ্যালয়খনিৰ গুণ-গান গাই আমি পূৰ্বতে ৰচনা কৰা এটি বৃন্দগানেৰে আমাৰ সম্পাদকীয় একাষাৰৰ ইতি ৰেখা টানিলো—

এই যাদুৰে দেশতে
উজ্বলি উঠিছে
জ্ঞানৰে এগছি বন্তি,
আহা যাওঁ আগুৱাই
পোহৰকে ধিয়াই
অজ্ঞান এন্ধাৰ বিনাশী

এয়াই আমাৰ দেশ
এয়াই যাদুৰ দেশ
নিস্প্ৰাণ শিলেও কয় আমাৰ ইতিহাস,
এয়াই আমাৰ দেশ
এয়াই পুৰাতন দেশ
সাঁচিপাততো আছে জ্ঞানৰ আভাস।

এয়াই মন্দিৰ আমাৰ
এয়াই গীৰ্জা
এয়াই মঠ, মছজিদ, সত্ৰ
এয়াই মহামিলনৰ পূণ্যভূমি
হ'ব ইয়াত নৱদেউ নিৰ্মাণ।
সমাজ সভ্যতাৰ
বিজ্ঞান প্ৰযুক্তিৰ
নৱ নৱ সাধনাৰে হ'ব জ্যোতিষ্মান।

এয়া জ্ঞান পূজাৰ বেদীত
মহা আয়োজন
মহা মহা মনিষীৰ চিন্তন।
সত্য, শান্তিৰ অন্বেষণ।
কোন ক'ত আছা আহা
জ্ঞানৰ তপস্বী
কাটো বাট পোহৰৰ
এন্ধাৰ বিনাশী
খোলো আহা প্ৰজ্ঞাৰ ৰুদ্ধ দুৱাৰ।

জয়তু মায়ং আঞ্চলিক মহাবিদ্যালয়।

**ড° উৎপল নাথ**
সম্পাদক
স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি